# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | JUNE 2023 | No. 12


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

**গীতমালা ৪৭ ঃ ১-৯**

১। হে জাতিবিলাক, হাত তালি দিয়া; আনন্দ গানৰ শব্দেৰে ঈশ্বৰৰ উদ্দেশ্যে জয়ধ্বনি কৰা।

২। কিয়নো সৰ্বোপৰি যিহোৱা ভয়ানক, তেওঁ গোটেই পৃথিৱীৰ ওপৰত মহান ৰজা।

৩। তেওঁ লোকসমূহক আমাৰ অধীন কৰিলে, জাতিবিলাকক আমাৰ ভৰিৰ তল কৰিলে।

৪। তেওঁ আমাৰ নিমিত্তে আমাৰ আধিপত্য মনোনীত কৰিলে।

৫। ঈশ্বৰে জয়ধ্বনিত উৰ্দ্ধগমন কৰিলে।

৬। তোমালোকে ঈশ্বৰৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰা, প্ৰশংসাৰ গান কৰা, তোমালোকে আমাৰ ৰজাৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰা, প্ৰশংসাৰ গান কৰা।

৭। কিয়নো ঈশ্বৰ গোটেই পৃথিৱীৰ ৰজা, তোমালোকে জ্ঞানেৰে প্ৰশংসাৰ গান কৰা।

৮। ঈশ্বৰে জাতিবিলাকৰ ওপৰত ৰাজত্ব কৰিছে, ঈশ্বৰে নিজ পবিত্ৰ সিংহাসনত বহিছে।

৯। আব্ৰাহামৰ ঈশ্বৰৰ প্ৰজা হ'বলৈ, জাতিবিলাকৰ অধিপতিবিলাকে গোট খাইছে, কিয়নো পৃথিৱীৰ ঢালবোৰ ঈশ্বৰৰহে তেওঁ অতিশয় উন্নত।

## নতুন ঋতুক আকোঁৱালি লওক বা ইয়াক আপুনি বিৰক্তিজনক বুলি নাম দিব পাৰে।

**EMBRACE THE NEW SEASON OR YOU CAN NAME IT AS DISTRACTIONS!**

ভনী এঞ্জেলীনা ছেলভা কুমাৰী



ইস্ৰায়েল লোকসকলৰ জীৱনত যিহোচূৱাৰ পুস্তকখনে এটি নতুন যুগৰ সূচনা কৰে, ইস্ৰায়েলবিলাকৰ ইতিহাসত এজন মহান নেতা মোচিৰ মৃত্যুৰ পাছত যিহোচূৱাক মোচিৰ দায়িত্বক চলাবৰ বাবে মনোনীত কৰা হৈছিল। তেওঁ নিজকে ভৰিত খাপ খুৱাই পিন্ধিবলৈ এটা প্ৰকাণ্ড জোতা তেওঁৰ হাতত আছিল যিহোচূৱাৰ বাবে এই আহ্বানক গ্ৰহণ কৰিবলৈ সহজ কথা নাছিল। এজনে কল্পনাও কৰিব নোৱাৰিব যে যিহোচূৱাৰ মূৰৰ ভিতৰত কি চলি আছিল। যদিও তেওঁ মোচিৰ দ্বাৰাই পৰামৰ্শ আৰু প্ৰশিক্ষণ পাইছিল। তেওঁ নিজেই দেখিছিল যে ইস্ৰায়েলবিলাকে মোচিক কিদৰে ব্যৱহাৰ কৰিছিল আৰু শেষত মোচিলৈ কি ঘটিল! এই দৃশ্যই যিহোচুৱাক নিশ্চয় সম্পূৰ্ণভাৱে ভয় খুৱাইছিল। কিন্তু মোচিয়ে যিহোচূৱাৰ মূৰৰ ওপৰত তেওঁৰ হাত দি অভিষেক কৰিলে যাতে তেওঁ সেই লাঠিডাল কঢ়িয়াই লৈ যাব পাৰিব, দ্বিতীয় বিৱৰণ ৩৪ : ৯ পদে কয়,

**নুনৰ পুত্ৰ যিহোচূৱা জ্ঞানদায়ক আত্মাৰে পৰিপূৰ্ণ আছিল, কাৰণ মোচিয়ে তেওঁৰ ওপৰত হাত দিছিল, ইস্ৰায়েলৰ সন্তানবিলাকে তেওঁৰ কথালৈ কাণ দি, মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে কাৰ্য কৰিবলৈ ধৰিলে।**

*৩ পৃষ্ঠাত চাওঁক*




ইখ অফ হীজ কল

৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

**ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু**

প্ৰত্যেক দিনে পুৱা ৫ বজাত

**তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত**

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


CHIEF EDITOR

Pastor Alex Samson Sam, B.Th., M.Div.

ADMINISTRATION

Bro. N. Prakasam, M.A., General Manager
Dr. Rabinder Boaz, M.S.
Bro. K. Puratchivendan

EDITORIAL BOARD

Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran

EDITOR, PUBLISHER & PRINTER



Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

E.mail ID

sam@echoofhiscall.org
biblecor@yahoo.co.in

WEBSITES

www.echoofhiscall.org
www.stpaulsmatriculation.com

YOUTUBE CHANNEL

Echo of His Call


**"...আমি আমাৰ ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিলো আৰু দিনে-ৰাতিয়ে সিহঁতৰ বিৰুদ্ধে সিহঁতৰ সন্মুখত পৰীয়া ৰাখিলো"**

(নহিমিয়া ৪ : ৯)

খ্ৰীষ্টত মোৰ প্ৰিয় ভাই-ভনীসকল,আপোনালোকলৈ শান্তি হওঁক। আপোনালোক সকলোৱে কুশলে যাওকআৰু বৃদ্ধি হওক। আমি আপোনালোকৰ প্ৰাৰ্থনাৰ অংশীদাৰ হওঁ। অনুগ্ৰহ কৰি এই বিষয়বস্তুক শেষলৈকে পঢ়ক।

ঈশ্বৰে আমাক আশীৰ্বাদ কৰিছে আৰু আপোনালোকক প্ৰয়োজনীয় স্বাস্থ্য, শক্তি, নিৰাপত্তা আৰু সান্ত্বনা দান কৰিছে আৰু আমাক পহৰা দিয়ে, প্ৰভু যীচুখ্ৰীষ্ট সদায়েই ভাল। তেওঁ সদায় আপোনালোকৰ লগত থাকক।

এই গুৰুত্বপূৰ্ণ খবৰবিলাকক আপোনালোকে মনত ৰাখিব!

১। প্ৰতি নিশা ১০.০০ বজাত আমাৰ প্ৰাৰ্থনাৰ সময় হয়। আপুনি যিকোনো দেশ বা চহৰত নাথাকক লাগে ১০.০০ বজা নিশা শিশু আৰু তৰুণ-তৰুণী উভয়পথৰ বাবে গোটেই পৃথিৱীৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে প্ৰাৰ্থনা কৰক। আমি ইয়াক **শিশু আৰু তৰুণ-তৰুণীবিলাকৰ বিশ্বব্যাপী দৃষ্টিভংগী** বুলি কওঁ। এই পৰিচৰ্যাৰ যোগেদি ঈশ্বৰে অসংখ্য ল'ৰা-ছোৱালীক আশীৰ্বাদ কৰি আছে। **আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব চেনেলৰ** যোগেদি সকলো বিৱৰণ বিতংভাৱে চাব পাৰে আৰু ঈশ্বৰৰ প্ৰশংসা কৰক। **অনুগ্ৰহ কৰি এই ইউটিউব চেনেলক চাবচাক্ৰাইব কৰক,** যাতে আপোনালোকে সাহাৰ্য দান বিলাক, প্ৰাৰ্থনাসমূহ আৰু ছুটী বাৰ্তাবিলাক শুনিবলৈ পাব। অনুগ্ৰহ কৰি আমাৰ মোবাইল আৰু হোৱাটচ্ এপ নম্বৰ +৯১-৯৮৪১০৭১৮৫৮ আৰু +৯১- ৯৮৪১২৭১৮৫৮ আপোনাৰ ফোনত স্থায়ীভাৱে ৰাখি লওক। এই দুটা মোবাইল নম্বৰ আমি ব্যৱহাৰ কৰি আছো।

২। এই **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব চেনেলত** পুৱা ৫.০০ বজাত প্ৰতিদিনে ৫ মিনিটৰ ঈশ্বৰৰ বাৰ্তা দিয়া হয় আৰু প্ৰাৰ্থনাও কৰা হয়। এই বাৰ্তাসমূহ পালক এচ. চাম. ছেলভা ৰাজ আৰু পালক এলেক্স চেমচন চামৰ দ্বাৰাই প্ৰচাৰ কৰা হয়। তেওঁলোকক এই হোৱাটচ এপ নম্বৰ +৯১-৯৮৪১০৭১৮৫৮ আৰু +৯১-৯৮৪১২৭১৮৫৮ পাব পাৰি। যদি আপুনি এই কাৰ্যসূচী চাই, আপুনি আমাৰ লগত প্ৰত্যক্ষভাৱে প্ৰাৰ্থনা কৰিব পাৰিব। প্ৰতিদিনেই গোটেই পৃথিৱীৰ বহু লোকে চাই আৰু আশীৰ্বাদ পায়। আপুনিও এইদৰে আশীৰ্বাদ পাব পাৰে। আপুনি কৰিবলগীয়া কাম হৈছে আপুনি ওপৰৰ নম্বৰবোৰ আপোনাৰ মোবাইলত চেভ কৰি থ'ব। ই বহুত প্ৰয়োজন।



চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Media Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

৩। আমাৰ গ্ৰাম্য হাইস্কুল **চেইন্ট পৌলচ্ মেট্ৰিকুলেচন স্কুলখন** পূৰ্ণ গতিত চলি আছে। এই স্কুলখন দক্ষতাপূৰ্ণ আৰু আত্মিকভাৱেও পৰিপক্ক শিক্ষাবিদসকলৰ যোগেদি চলি আছে। আমাক আৰু ভাল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ প্ৰয়োজন হৈছে অনুগ্ৰহ কৰি এই স্কুলখনৰ উন্নতিৰ বাবে প্ৰাৰ্থনাত সোঁৱৰণ কৰিব।



নহিমিয়া বাইবেল কলেজৰ মিটিং

৪। আমাৰ নহিমিয়া বাইবেল কলেজখন হিন্দীত (বাসগৃহৰ পাঠ্যক্ৰম) আৰু তামিলত (সন্ধ্যাৰ পাঠ্যক্ৰম) পাঠ্যক্ৰম আগবঢ়াইছে। চেন্নাইৰ পৰা অহা ভাল ভাল শিক্ষকসকলে ইয়াত পাঠদান কৰি আছে। প্ৰভুক সেৱা কৰিবলৈ উপযুক্ত দৰ্শন থকা ছাত্ৰ-ছাত্ৰীক আমাক লাগে। পৰৱৰ্তী শিক্ষা বৰ্ষ ২০২৩-২৪ ৰ ক্লাছসমূহ ২০২৩ জুন মাহৰপৰা আৰম্ভ হ'ব। এতিয়া ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উপাধিকৰণ ল'বলৈ সাজু আছে। তাৰ পাছত তেওঁলোক মিশ্বন ক্ষেত্ৰলৈ যাব।

**নহিমিয়া বাইবেল কলেজে** ২০২৩ ৰ ৩ জুনত ২৪ তম উপাধিকৰণ সভা পালন কৰিব।

৫। যোৱা মাহত (মে' ২০২৩) শিশুবিলাকৰ বাবে গ্ৰীষ্মকালীন ছুটীৰ স্কুল বিভিন্ন ঠাইত আয়োজন কৰা হৈছিল।

৬। ১৬ টা ভাষাত প্ৰকাশিত হৈ থকা আমাৰ **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনী** আলোচনীখনৰ ওপৰত ঈশ্বৰৰ বাহুল্যৰূপী হাতে কাৰ্য কৰি আছে। আমাৰ মণ্ডলীসমূহ, যোগাযোগৰ বাইবেল পাঠ্যক্ৰম, শুভ বাৰ্তাৰ ছপাশাল, শিশুবিলাকৰ পৰিচৰ্যা, যুৱক-যুৱতীবিলাকৰ পৰিচৰ্যা, চিকিৎসালয়ৰ পৰিচৰ্যা আদিৰ ওপৰতো প্ৰভুৰ বাহুল্য হাতে কাৰ্য কৰি আছে। এই সকলো পৰিচৰ্যাৰ বাবে আমি ঈশ্বৰলৈ কৃতজ্ঞ হ'ব লাগে।

ঈশ্বৰে আমাক তেওঁৰ শুভবাৰ্তা বিলাবলৈ এই প্ৰকাণ্ড পৃথিৱীক আমাৰ হাতত দিছে। এই দৰ্শনৰ সৈতে আমাক আৰু অধিক দাসসকলৰ প্ৰয়োজন হৈছে আৰু ঈশ্বৰৰ আমাৰ পৰিচৰ্যাৰ আৰ্থিক সহায় দিবলৈ আৰু অধিক আৰ্থিক সহায়ৰ প্ৰয়োজন হৈছে।

অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক। আমি বহুত আত্মিক যুদ্ধবোৰৰ সন্মুখীন হৈছো। ঈশ্বৰে আমাক জয়যুক্ত হ'বলৈ দিছে। আমিও আপোনাৰ বাবে প্ৰাৰ্থনা কৰি আছো।

আমাৰ প্ৰিয় প্ৰভু যীচুখ্ৰীষ্টই আপোনালোক সকলোকে আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

তথাপিও মই ভাবো যে যিহোচুৱাৰ মন দৃঢ় হোৱা নাছিল সেয়েহে ঈশ্বৰে তেওঁক বাৰম্বাৰ এই প্ৰথম অধ্যায়টো সোঁৱৰাই দিছিল। "বলবান আৰু সাহিয়াল হোৱা .... মই মোচিৰ লগত থকাৰ দৰে তোমাৰ লগতো থাকিম।"

ঈশ্বৰে আমাৰ কিছুমানক আমাৰ জীৱনৰ নতুন ঋতুলৈ, নতুন পৰিচৰ্যালৈ আহ্বান কৰি আছে। হয়, পুৰণি বস্তু উত্তম হয়। আমাৰ জীৱনত নতুন ঋতুক আকোঁৱালি ল'বলৈ আৰম্ভ কৰিব লাগিব। মই দেখো আমাৰ কিছুমানে কয় যে মই প্ৰায় মোৰ জীৱনৰ শেষৰ ফালে আছো। বৰ্জিলয় এজন ৮০ বছৰ বয়সীয়া লোক আছিল হ'লেও তেওঁ দায়ুদক সহায় কৰিছিল। যদি আপুনি ইচ্ছা কৰে, তেন্তে ঈশ্বৰে আপোনাক জীৱনৰ এক নতুন ঋতুলৈ লৈ যাব।

নতুন ঋতুক আকোৱালি ল'বলৈ আমি আমাৰ জীৱনৰ কিছুমান নিশ্চিত বস্তুবিলাকক যাব দিব লাগে। যদি আমি পুৰণি বস্তুবোৰক ধৰি ৰাখো, তেন্তে ঈশ্বৰে নতুন ঋতুত আমাৰ বাবে জমা কৰি ৰখা তেওঁৰ সম্পূৰ্ণ আশীৰ্বাদবোৰক উপভোগ কৰিব নোৱাৰিম।

## অতি জৰুৰী জাননী !

## VERY URGENT ANNOUNCEMENT!

অপ্ৰীতিকৰ পৰিস্থিতিৰ বহুত খ্ৰীষ্টিয়ান আলোচনীবোৰ প্ৰকাশিত কৰিব নোৱাৰা হৈছে। আমাৰ **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি** আলোচনীবোৰেও এনে পৰিস্থিতিৰ অভিজ্ঞতা পাব পাৰে। আমি আমাৰ আলোচনীসমূহক বহুত পৰিশ্ৰম আৰু বহু কষ্টৰ ফলত প্ৰকাশ কৰোঁ। কিন্তু আমি অলপ বুজিব পাৰিছো যে ডাক বিষয়াসকলে বিশ্বাসেৰে গ্ৰাহকক বিতৰণ নকৰে। আনকি কিছুমান পঢ়ুৱৈৰে আলোচনীখন পোৱাৰ পাছতো মেলি নাচায় বা নপঢ়ে।

গতিকে আপুনি প্ৰকৃততে একেবাহে **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিখন** পাবলৈ বিচাৰে আৰু আপুনি যদি এই আলোচনীখন পঢ়াত এজন আগ্ৰহী ব্যক্তি হয়, তেন্তে অনুগ্ৰহ কৰি আপোনাৰ শুদ্ধ **ঠিকনা, মোবাইল নম্বৰ আৰু আপোনাৰ মোবাইল মাধ্যমেৰে ই-মেইল ঠিকনা বা হোৱাটচ্এপ বা টেক্স বাৰ্তা বা ই-মেইল বা ডাকঘৰৰ ঠিকনা** আমালৈ সোনকালে পঠিয়াওক। আমি আপোনাৰ সুবিধা অনুযায়ী আপোনালৈ আলোচনীখন পঠিয়াবলৈ চেষ্টা কৰিম। আপোনালোকে যদি শুদ্ধ ঠিকনা আৰু বিতং বিৱৰণ আমালৈ নপঠিয়াই তেন্তে আমি তেওঁৰ আহ্বানৰ আলোচনীখন একেবাহে পঠিয়াব নোৱাৰিম। আমি আপোনাৰ সৈতে যোগাযোগ বা সম্পৰ্কক যিকোনো পৰিস্থিতিত হেৰুৱাব নিবিচাৰো। অনুগ্ৰহ কৰি সহযোগ কৰক।

**আমাৰ ঠিকনা ঃ**
**Echo of His Call**
10, Mohammed Abdullah 2nd Street, Chepauk. Chennai – 600 005.
Mobile No : +91-98410 71858, +91-98412 71858
Telephone No. (+91-44) 2852 8282, 2852 9293, 2854 7766
E-mail : sam@echoofhiscall.org / echosamselvaraj@gmail.com.
YouTube Channel: Echo of His Call.

## ১। নতুন ঋতু !

যিহোচুৱা ১ : ২ পদে এইদৰে আৰম্ভ কৰিছে ঃ **মোৰ দাস মোচিৰ মৃত্যু হ'ল। এতেকে তুমি এতিয়া উঠা, সেই সকলো লোকেৰে সৈতে, মই যি দেশ ইস্রায়েলৰ সন্তানবিলাকক দিছো, সেই যৰ্দন পাৰ হৈ সেই দেশলৈ যোৱা।**

এই বিষয়ৰ ওপৰত মই গভীৰ অধ্যয়ন কৰাৰ আগতে এই পদৰ কিছুমান বাক্যক মই দৃষ্টিগোচৰ কৰাব বিচাৰো।

মোৰ দাস মোচিৰ মৃত্যু হ'ল। মানে পুৰণিবোৰ গ'ল আৰু এই পদটিত কৈছে **'এতিয়া'** তাৰ মানে এতিয়া নতুন ঋতুৰ সময় হৈছে। এতিয়া মানে আপোনাৰ জীৱনৰ পৰৱৰ্তী ঋতুত ঈশ্বৰে যি যোগাইছে তাক আকোৱালি ল'বলৈ এতিয়াই সময়।

আপোনাৰ পৰিচৰ্যাৰ পৰৱৰ্তী স্তৰলৈ যাবলৈ এতিয়াই সময়। এতিয়াৰ ঋতুৰেই হৈছে আপোনাৰ পৰিয়ালৰ ওপৰত, আপোনাৰ সন্তানবিলাকৰ ওপৰত আৰু আপোনাৰ ঘৰখনৰ ওপৰত ঈশ্বৰে দয়া কৰাৰ সময়।

এতিয়াই সময় ... পাছত নহয়... প্ৰশ্নটো হ'ল, আপুনি ইচ্ছা কৰিছেনে আৰু এই এতিয়াক ধৰিবলৈ আপুনি পাৰিবনে!!!

## ২। উঠা !

এই পদত মোক আকৰ্ষণ কৰা পৰৱৰ্তী বাক্যষাৰী হৈছে ঈশ্বৰে যিহোচুৱাক উঠা বুলি কৈছে। বহুত সময়ত আমি প্ৰথমে আগবাঢ়িবলৈ ইচ্ছা নকৰো। কিবা এটা ঠিক ঠাক নহ'লে আমি আগ নাবাঢ়ো। মই নাজানো পদটিক পঢ়া কিমান মানুহে পৰৱৰ্তীৰ ঋতুলৈ আপোনাক নিবলৈ ঈশ্বৰৰ বাবে অপেক্ষা কৰি আছে আৰু পৰৱৰ্তী খোজ ল'বলৈ ঈশ্বৰৰ পৰা উত্তৰ পাবলৈ অপেক্ষা কৰি আছে।

প্ৰিয় বন্ধুসকল এতিয়াই সময় হৈছে! কিন্তু প্ৰশ্ন হ'ল আপুনি ইয়াক আকোৱালি ল'বলৈ সাজু হৈছেনে? পৰৱৰ্তী খোজ লৈ আগুৱাই যাবলৈ হ'লে বিশ্বাসেৰে আমি নিজকে প্ৰস্তুত কৰিব লাগিব। আপোনাক কি বস্তুৱে পিছলৈ টানি ৰাখিছে তাৰ বিষয়ে ভাবি চাওক। ঈশ্বৰৰ প্ৰতিজ্ঞা আপোনাৰ বাবে প্ৰয়োজনীয়। ঈশ্বৰৰ বাক্যৰ অবিহনে আগবাঢ়িবলৈ নাভাবিব, কিন্তু ঈশ্বৰে যদি আপোনাক তেওঁৰ বাক্য আৰু তেওঁৰ প্ৰতিজ্ঞা দিছে তেন্তে অনিচ্ছা নকৰিব। আগবাঢ়ক জীৱনটো বহুত চুটী। ঈশ্বৰৰ বাবে আপুনি যি কৰিলে সেয়ে চিৰদিনীয়া। আপুনি কিহৰ বাবে ৰৈ আছে। **আপুনি আগবাঢ়িবলৈ এতিয়াই উচিত সময়।** আমি যেতিয়া আগবাঢ়িবলৈ সিদ্ধান্ত লওঁ আৰু প্ৰথম খোজ লওঁ তেতিয়া সকলো বস্তুৱেই আপোনাৰ বাবে আগবাঢ়িব। আমি যিহোচুৱা ৩ : ১৩ পদত এইদৰে পঢ়িবলৈ পাওঁ যে

"সমুদায় পৃথিৱীৰ প্ৰভু যিহোৱাৰ নিয়ম চন্দুক বৈ নিয়া পুৰোহিতবিলাকৰ ভৰিৰ পতা যৰ্দ্দনৰ পানীত সোমোৱা মাত্ৰকে যৰ্দ্দনৰ পানী অৰ্থাৎ ওপৰৰ পৰা বৈ অহা জলসমূহ ছিগি দম খাই ৰ'ব।"

আপুনি প্ৰথম খোজ ল'বলৈ সিদ্ধান্ত লোৱাৰ লগে লগে আপোনাৰ সন্মুখত থকা নৈ বা বাধাই আপোনাক যাবলৈ বাট এৰি দিব সেয়েহে আপুনি সাজু আছেনে?

## ৩। পাৰ হ'বলৈ !

ঈশ্বৰে যিহোচুৱাক ক'লে, এইয়াই উচিত সময়, পাৰ কৰিবলৈ উঠা।

এতিয়া পাৰ কৰাত এটা প্ৰক্ৰিয়া আছে। ই একেবাৰতে হোৱা ঘটনা নহয়। আপুনি কিছু পৰিস্থিতি আৰু অজ্ঞাত পথবোৰৰ মাজেদি যাবলগীয়া হ'ব পাৰে। আনকি কেতিয়াবা ইয়াৰ অৰ্থও নাথাকিব পাৰে। ইস্রায়েলবিলাকলৈ ঈশ্বৰে কৈছিল, যৰ্দ্দন নৈ পাৰ কৰা। কিদৰে তেওঁলোকে যৰ্দ্দন নৈ পাৰ কৰিব। মানুহৰ জ্ঞানেৰে ইয়াত কোনো অৰ্থই নাই। মোৰ প্ৰিয় বন্ধুসকল, যেতিয়া ঈশ্বৰে এটা প্ৰতিজ্ঞা দিয়ে, তাক আপুনি মানুহৰ চকুৰে চালে নহ'ব, কিন্তু আত্মিক দৃষ্টিৰেও চাব লাগিব। যদি আপুনি মানুহৰ দৃষ্টিৰে চাই তেন্তে বহু দূৰলৈকে আপুনি চাব নোৱাৰিব... আমি কেৱল পানী আৰু ঢৌবিলাকে পাৰটোক কোবোৱাহে দেখি পাম। পানীৰ ঢৌৱে ভয় খুৱাই দিয়ে। খোজকাঢ়ি পাৰ হ'বলৈ তাত কোনো পথেই নাথাকে কিন্তু আমি যদি আত্মিক দৃষ্টিৰে চাওঁ তেন্তে আমি দেখা পাম যে আমাৰ কল্পনাৰে বাহিৰত ঈশ্বৰে কিদৰে কৰিব পাৰে। বাইবেলত মোৰ এটি প্ৰিয় পদ হৈছে ইফিচীয়া ৩ : ২০ পদ। ইয়াত লিখা আছে যে, মানৱ জাতিৰ বাবে যাচ্‌নাটো ঈশ্বৰে দিয়া এক ডাঙৰ উদাহৰণ। এজনে যেতিয়াই যি মন যায় তাক তেতিয়াই যাচ্‌না কৰিব পাৰে। এজনে যাচ্‌না কৰিব পাৰে। এজনে যাচ্‌না কৰিবলৈ কোনো সীমা নাই। যেতিয়া মই ইফিচীয়া পত্ৰত দেখোঁ, যেতিয়া ঈশ্বৰে তেওঁৰ সন্তানবিলাকক আশীৰ্বাদ কৰিব বিচাৰে আৰু তেওঁৰ সন্তানবিলাকৰ জীৱনত তেওঁৰ ইচ্ছাক পৰিপূৰ্ণ কৰিব বিচাৰে, মোৰ ঈশ্বৰে আনকি প্ৰত্যাহ্বান কৰে যে যাচ্‌না সীমাহীন, সময়হীন আৰু অন্তহীন।

**"যি জনাই আমাৰ অন্তৰত কাৰ্য সাধন কৰোঁতা শক্তি অনুসাৰে আমাৰ যাচ্‌না আৰু বুদ্ধিৰ অতি অতিৰিক্ত কৰ্ম কৰিব পাৰে।" (ইফিচীয়া ৩ :২০)**

তেওঁ কয় যে তেওঁ অতি অতিৰিক্ত কৰ্ম কৰিব পাৰে। আমেন! সেইয়ে হৈছে যীচুখ্ৰীষ্টৰ শক্তি। যদি আপুনি তেওঁক চেষ্টা কৰা নাই, চেষ্টা কৰি চাওক তেওঁ আপোনাৰ বাবে কি কৰিব পাৰে। কেৱল যদি আপুনি তেওঁত বিশ্বাস কৰে আৰু বিচাৰে আপুনি বিচৰা বা কল্পনা কৰাতকৈও তেওঁ অধিক কৰিব পাৰে।

যেতিয়া ঈশ্বৰে আপোনাক কিবা এটা কৰিবলৈ কৈ আছে। যদিও তাত অৰ্থ থকা যেন নালাগে কৰি দিয়ক কিয়নো তেওঁ এনে এজন ঈশ্বৰ

৬ পৃষ্ঠাত চাওঁক

নহিমিয়া বাইবেল সন্ধ্যা / আবাসিক মহাবিদ্যালয়, চেন্নাই

মাধ্যম ঃ হিন্দী / তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ জুনৰ পৰা ২০২৩ চনৰ ১৮ জুলাই**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

জুন ১৯ ঃ যোৱা ৩ জুন, ২০২৩ তাৰিখে আমাৰ নহিমিয়া বাইবেল কলেজৰ গ্ৰেজুৱেশ্বন কাৰ্যসূচী সুন্দৰভাৱে আয়োজন কৰাত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে।

জুন ২০ ঃ যোৱা ১০ মে, ২০২৩ তাৰিখে আমাৰ নহিমিয়া বাইবেল কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দিৱস পালনত তেওঁৰ আশীৰ্বাদৰ বাবে।

জুন ২১ ঃ আমাৰ নহিমিয়া বাইবেল কলেজত মাননীয় শিক্ষা উপদেষ্টা হিচাবে যোগদান কৰা ৰেভাঃ পৌল এবেনেজাৰ সৈতে পোৱা আশীৰ্বাদৰ বাবে।

জুন ২২ ঃ বিশ্বব্যাপী তৰুণ আৰু শিশুসকলৰ বাবে প্ৰতিদিনে নিশা ১০.০০ টা বজাত প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰাত তেওঁ সহায় কৰাৰ বাবে।

জুন ২৩ ঃ উৎসৰ্গীকৃত সহকাৰী সম্পাদকসকলৰ সৈতে আমাক আশীৰ্বাদ কৰাৰ বাবে। তেওঁবিলাকে প্ৰত্যেক সময়ত, সময়মতে ১৬ টা ভাষাত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ আলোচনীখন প্ৰকাশ কৰাত আমাক সহায় কৰি আছে।

জুন ২৪ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰী সংগ্ৰহৰ বাবে আমাৰ প্ৰচেষ্টাক আশীৰ্বাদ কৰাৰ বাবে।

জুন ২৫ ঃ ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্যালৈ আমাৰ অংগীকাৰৰ ওপৰত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

জুন ২৬ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলক সংগ্ৰহ কৰাত আমাৰ কাৰ্যালয় আৰু স্কুলৰ কৰ্মচাৰীসকলৰ ওপৰত আশীৰ্বাদৰ বাবে।

জুন ২৭ ঃ আমাৰ শুভাকাংক্ষীসকলৰ প্ৰাৰ্থনা আৰু আৰ্থিক সহায়ৰ বাবে।

জুন ২৮ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজ আৰু ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২২-২৩ শিক্ষাবৰ্ষ কাল কৃতকাৰ্যৰে সম্পূৰ্ণ হোৱাত আশীৰ্বাদৰ বাবে।

জুন ২৯ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীবিলাকৰ চলাওঁতাসকল আৰু বিশ্বাসীসকলৰ ওপৰত আশীৰ্বাদ থকাৰ বাবে।

জুন ৩০ ঃ আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীবিলাকৰ গ্ৰীষ্মকালীন বাইবেল স্কুল আয়োজন কৰাত আশীৰ্বাদৰ বাবে।

জুলাই ০১ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাব্‌চক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

জুলাই ০২ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ ইউটিউবত তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত দিয়া বাৰ্তাত আশীৰ্বাদৰ বাবে।

জুলাই ০৩ ঃ এতিয়া পৰ্যন্ত আমাৰ অনুষ্ঠানখন চলাই নিয়াত আমাৰ প্ৰচেষ্টা সফল হৈছে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

জুলাই ০৪ ঃ আফ্ৰিকা দেশৰ চুদানত ৰাজনৈতিক অস্থিৰতা গুচিবৰ বাবে।

জুলাই ০৫ ঃ আমাৰ জ্যেষ্ঠ পালকে তেওঁৰ জীৱনী লিখি আছে, ঈশ্বৰে দয়া কৰি তেওঁক চলাই নিবৰ বাবে।

জুলাই ০৬ ঃ আমাৰ জ্যেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক ঈশ্বৰে সকলো মন্দ শক্তিৰ পৰা একেবাৰে ৰক্ষা কৰক।

জুলাই ০৭ ঃ বিশ্বৰ সকলো মিশ্বনৰ মণ্ডলীসমূহত জাগৰণৰ বাবে।

জুলাই ০৮ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহলৈ আৰু অধিক উৎসৰ্গিত কৰ্মীসকলক ঈশ্বৰে আনিবৰ বাবে।

জুলাই ০৯ ঃ কভি'ডৰ নতুন বৈকল্পিক আৰু আন আন সংক্ৰমিক ৰোগবিলাকৰ ধ্বংস হ'বৰ বাবে।

জুলাই ১০ ঃ এই প্ৰজন্মৰ তৰুণ আৰু শিশুসকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আমাৰ তৰুণ আৰু শিশুসকলৰ যত্নৰ পৰিচৰ্যাৰ বাবে বিশ্বব্যাপী দৃষ্টিভংগীত আৰু অধিক মানুহক নথিভুক্ত কৰিবৰ বাবে।

জুলাই ১১ ঃ পৰিয়ালবিলাকৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ তৰুণ আৰু শিশুসকলক প্ৰতিপালন কৰোঁতে স্বৰ্গীয় পথ নিৰ্দেশৰ বাবে।

জুলাই ১২ ঃ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা দিয়া লোকসকলৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

জুলাই ১৩ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা বেলাৰ নহিমিয়া বাইবেল কলেজৰ ২০২৩-২৪ শিক্ষাবৰ্ষৰ বাবে উপযুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ বাবে।

জুলাই ১৪ ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২৩-২৪ শিক্ষাবৰ্ষৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ বাবে।

জুলাই ১৫ ঃ গোটেই বিশ্বত গ্ৰীষ্মকালীন বাইবেল স্কুলত ক্লাচসমূহ আয়োজন কৰাৰ সময়ত উদ্ধাৰ পোৱা তৰুণ আৰু শিশুসকলৰ বাবে।

জুলাই ১৬ ঃ কলেজ আৰু স্কুলসমূহত অনিয়মিত উপস্থিত হোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে আৰু ড্ৰাগচত আসক্ত হোৱা যুৱক আৰু শিশুসকলৰ উদ্ধাৰৰ বাবে।

জুলাই ১৭ ঃ এই মাহত সকলো আৰ্থিক সহায় পাবলৈ।

জুলাই ১৮ ঃ প্ৰান্তিক ৰোগ আৰু হতাশাত আক্ৰান্ত হোৱা বিশ্বৰ সকলো লোকবিলাকৰ উদ্ধাৰৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

যিজনে আমি বিচৰাতকৈয়ো বা কল্পনা কৰিব পৰাতকৈও অধিক কৰিব পাৰে। তেন্তে ভাই কিয়? ইয়োব পুস্তকে সুন্দৰকৈ কৈছে, **অনুসন্ধান কৰিব নোৱাৰা মহৎ কৰ্মও তেওঁ কৰে। অসংখ্য অদ্ভুত কাৰ্যও তেওঁ কৰে।** ইয়োৱ ৫ :৯।

আমি কৰিবলগীয়া কাম এটাই যে ঈশ্বৰে দিবলৈ বিচৰা দেশখনলৈ যাবলৈ যুগুত হ'ব লাগে। এতিয়াও সময় আছে। সেই ঠাইখনলৈ যাবলৈ যি ঠাইখনক আপোনাক ঈশ্বৰে ল'বলৈ কৈছে। পৰিস্থিতি, পৰিৱেশ, আৰ্থিক অৱস্থা, পৰিয়ালৰ পটভূমি, শিক্ষাগত অৰ্হতা, অভিজ্ঞতা, স্বাস্থ্য, বয়স, আপোনাৰ লিংগ সেইবোৰলৈ নাচাব আমাৰ ঈশ্বৰ এনে এজন ঈশ্বৰ সেইবিলাকৰ অবিহনেও কাৰ্য কৰিব পাৰে। আচল কথা হ'ল আপুনি এতিয়া সাজু হ'ব লাগে।

মই জানো মই ক'ত থিয় হৈ আছো আৰু মই জানো মোক ঈশ্বৰে ক'ত ল'বলৈ বিচাৰে, কিন্তু এইটোনো কি দিয়ে মোক ক-ৰপৰা খ-লৈ যাবলৈ বাধা দি আছে, কিন্তু মই ভালকৈ জানো যে মই ক'ত যাব বিচাৰো? ইয়াৰ বাবে, মই আমাৰ মনোযোগ ১৩ অধ্যায়লৈ ল'ব বিচাৰো এইটো এটা বিখ্যাত দেওবৰীয়া স্কুলৰ কাহিনী। এজন খেতিয়কৰ দৃষ্টান্ত। এজন মানুহে তেওঁৰ পথাৰত কঠীয়া সিঁচিবলৈ গৈছিল। কিন্তু আমি জানো যে এই কঠিয়াবোৰ চাৰিবিধ বেলেগ বেলেগ মাটিত কৰিছিল মই যদি আপোনাক সোধো আপুনি কোনবিধৰ মাটি? আমাৰ বহুতেই মই ভাল মাটি বুলি ক'ব অন্ততঃ আমি সকলোৱেই এইদৰেই হ'ব বিচাৰো। তেনেদৰে আমাৰ আশাও হ'ব পাৰে কিন্তু প্ৰকৃততে বেলেগ মাটিৰ দৰে হ'ব পাৰে। কেৱল আমাৰ জীৱন আৰু আমি যি ফল দিওঁ সেইটোৱেই শুদ্ধ উত্তৰ হ'ব। আশা কৰা আৰু প্ৰকৃততে হোৱাৰ মাজত ডাঙৰ খালী ঠাই আছে। মোৰ এজন ল'ৰা আছে আৰু তেওঁৰ বয়স ১২ বছৰ, তেওঁ এজন ভাল ফুটবল খেলুৱৈ। তাৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিছো। যি কি নহওক যেতিয়া তেওঁৰ ৬ বছৰ বয়স হৈছিল তেতিয়াৰপৰা তেওঁ ফুটবল খেলিবলৈ আৰম্ভ কৰিছিল। মই এবাৰ তেওঁ প্ৰশিক্ষণ লোৱা ঠাইখনলৈ গৈছিলো। মই দেখা পালো মোৰ ল'ৰাজনে বলটোৰ ওচৰলৈ গৈ বলটোক জোৰকৈ গোৰ মাৰিলে আৰু সি মৰাৰ লগে লগে ওপৰৰ আকাশলৈ লক্ষ্য কৰিলে। কিন্তু বলটোক ওপৰত ক'তো দেখা পোৱা নগ'ল। কিন্তু মই যেতিয়া তললৈ মূৰকৈ মাটিলৈ চালো, মই দেখিলো যে বলটো তেওঁৰপৰা কেই ছেণ্টিমিটাৰ আঁতৰতহে পৰি আছে। মই তাক দেখি বুজি নাপালো যে মই কেনেদৰে প্ৰতিক্ৰিয়া দেখুৱাম আৰু তেওঁ ধুনীয়াকৈ হাঁহি হাঁহি মোৰ মুখলৈ চাই ক'লে। যেতিয়া তেওঁ কথাষাৰ কৈছিল মই দেখিলো যে তেওঁৰ মাতৃয়ে তেওঁৰ খেল চাই থকাৰ বাবে গৰ্বিত হৈছিল, 'মা, তুমি দেখিলানে মই বলটোক কেনেদৰে কিক মাৰি দিলো?' মই বুজি পোৱা নাছিলো যে মই কি কম? মই ভাবিলো যে মই যদি চিঞৰাই সঁচা কথা কম, পুত্ৰ... তুমি যেনেতেনেহে বলটোক কিক মাৰিলা, বা আকৌ ভবিলো ল'ৰাটোক সমৰ্থন কৰা মাকৰ দৰে ধনাত্মক হৈ বাঃ ঠিক কৰিলা বুলি ভাবি আছিলো? অৱশেষত মই আন মাতৃসকলে কৰাৰ দৰে কৰিলো। মই ক'লো, পুত্ৰ তুমি বৰ বঢ়িয়া কিক মাৰিলা... বাঃ বাঃ!" তেতিয়া মই তেওঁৰ মুখত মই মূল্যহীন হাঁহি মৰা দেখিলো, হাঃ হাঃ হাঃ! আচল বিষয়টোতকৈ তেওঁ কৰা আশা বেলেগ আছিল।

ঠিক একেদৰে, আমি সকলোৱেই ভাল মাটি হ'ব বিচাৰোঁ, তাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁ। কিন্তু প্ৰকৃততে বাস্তৱটোনো কি হয়? ইয়াৰ উত্তৰ কেৱল আপুনিহে দিব পাৰিব।

মথি ১৩ : ৪ পদে কয়, আৰু **তেওঁ সিঁচোতে সিঁচোতে, কেতবোৰ কঠিয়া বাটৰ কাষত পৰিল, তাতে চৰাইবোৰে আহি সেইবোৰ খুটি খালে।** যেতিয়া শস্য সিঁচা হৈছিল তেতিয়া কিছুমান বাটৰ কাষত পৰিছিল... চৰাইবোৰে আহি খাই পেলালে।

আৰু ১৯ পদত যীচুৱে এই দৃষ্টান্তটো ব্যাখ্যা কৰি কয়।

মথি ১৩ : ১৯ **"যেতিয়া কোনোৱে ৰাজ্যৰ বাক্য শুনে কিন্তু নুবুজে, তেতিয়া পাপ-আত্মাই আহি, তেওঁৰ অন্তৰত যিবোৰ সিঁচা হ'ল, তাক কাঢ়ি নিয়ে, এইজন বাটৰ কাষত পৰা কঠিয়াস্বৰূপ।"**

এই পদৰ দুটা বিষয়বস্তুৰ ওপৰত গুৰুত্ব দিব বিচাৰোঁ — যি ঠাইলৈ ঈশ্বৰে আমাক নিব বিচাৰে তাত গৈ পাবলৈ কি বস্তুৱে আমাক বাধা দিয়ে তাকে বুজিবলৈ আমাক ঈশ্বৰে সহায় কৰে।

যেতিয়া যীচুৱে এই প্ৰথম মাটিৰ বিষয়ে ব্যাখ্যা কৰিছে তাত তেওঁ কয়, "পাপ-আত্মাই আহি কাঢ়ি নিয়ে" ঈশ্বৰৰ বাক্যই আত্মাৰ হৃদয়ত, আমাৰ জীৱনত কিবা কাৰ্য কৰাৰ আগতে পাপ-আত্মা, চয়তানে আহি কাঢ়ি নিয়ে। প্ৰকৃততে

মই এটি কাহিনী ক'ব বিচাৰো, এইটো এটা কাল্পনিক কাহিনী। এদিন চয়তানে আটাই পতিত দূতবিলাকৰ বাবে এটা দিন মুকলি কৰি দিলে। যাতে সিহঁতে তাৰ বস্তু থোৱা দোকানলৈ গৈ এনে বস্তুবোৰ কিনিব যি বস্তুবোৰে মানুহবিলাকক ঈশ্বৰৰ ইচ্ছাৰ পৰা বিপথে চালিত কৰিব। প্ৰতিটো বস্তুৰ তলত মূল্য লিখা আছিল। তাত হত্যা, হিংসা, চুৰি, বিলম্ব, মিছা ইত্যাদি লিখা আছিল... কিন্তু তাত দুটা সৰু সৰু বস্তু আছিল, কিন্তু বহুত মূল্যৱান আছিল। আপুনি এই বস্তুকেইটাক কি বস্তু বুলি ভাবে যি বস্তুকেইটাক চয়তানে আমাৰ জীৱনত আটাইতকৈ শক্তিশালী বস্তু হিচাপে ব্যৱহাৰ কৰে এইকেইটা নিৰাশ আৰু অন্যমনস্ক কৰা হয়নে?

**অন্যমনস্ক,** চয়তানৰ এনে এটা শক্তিশালী অস্ত্ৰ যিয়ে আমাক আমাৰ জীৱনত ঈশ্বৰৰ পৰিকল্পনা পৰিপূৰ্ণ হোৱাৰ পৰা আমাক বিপথে পৰিচালিত কৰে আৰু ধ্বংস কৰে। আমি মনত ৰাখিব লাগিব যে যদি ঈশ্বৰৰ ইচ্ছা পৰিপূৰ্ণ কৰিবলৈ নিজকে যুগুত নকৰোঁ, তেন্তে স্বাভাৱিক ভাবে আমি চয়তানৰ পৰিকল্পনাক পৰিপূৰ্ণ কৰিবলৈ যুগত হৈ আছো। আন কথাত ক'বলৈ গ'লে যদি আপুনি ঈশ্বৰৰ ইচ্ছাত চলি আছে। মই জানো এই কথাষাৰ গ্ৰহণ কৰিব নোৱাৰি।

আপুনি আনকি ঈশ্বৰৰ পৰিচৰ্যা কৰি আছে, কিন্তু প্ৰশ্নটো হৈছে আপুনি ঈশ্বৰৰ ইচ্ছামতে পৰিচৰ্যা কৰি আছেনে? আপুনি পৰিচৰ্যা ঈশ্বৰৰ বাবে নে ঈশ্বৰৰ লগত কৰি আছে? এই প্ৰশ্নটো আমি সকলোৱেই নিজকে সুধিব লাগে। বহুত সময়ত আনকি ময়ো ভাবো যে পৰিচৰ্যাত আমি যিহকে কৰোঁ সেই সকলো ঈশ্বৰৰ ইচ্ছামতে হৈছে। এইটো সত্য নহয়। এইটো অশুদ্ধ। ঈশ্বৰৰ ইচ্ছাক নজনাকৈয়ে, কিবা এটা নতুন কাৰ্য হাতত লৈ বিপদত নপৰিব। ঈশ্বৰক এই বিষয়ে জনাওক আৰু আৰম্ভ কৰক।

আমাক ঈশ্বৰৰ পৰা আঁতৰাই অনা বস্তুটোৱেই হৈছে অন্যমনস্ক। যেতিয়া মই অন্যমনস্ক বুলি কৈছো, এই বিষয়টো আপোনাৰ আগত এনেয়ে আহি নাযাব যে চয়তান সদায় চতুৰ, টেঙৰ আৰু ধূৰ্ত বুলি আপুনি সহজভাৱে চিনাক্ত কৰিব পাৰিব। এনেদৰে তেওঁ যিভাৱে আপোনাক অন্যমনস্ক কৰি দিব যে আপুনি ইয়াক বাধা দিবলৈ নোৱাৰে।

আহক আমি আদিপুস্তক ৩ : ৬ পদত চাওঁহক। বাইবেলে কয় যে যেতিয়া হৱাই আপেলটোক দেখিছিল সেই ফলটো **চকুৰ লোভজনক** আছিল।

.........গছজোপা **ধুনীয়া** আছিল আৰু ফলটো দেখিবলৈ **সোৱাদজনক** লাগিছিল আৰু **তাই জ্ঞান পাব বিচাৰিছিল।** সেই ফলে চকুক আনন্দ দিছিল। এই ফল সন্তোষজনক, ধুনীয়া, সোৱাদজনক আৰু আনন্দজনক আছিল। তাৰোপৰি তাই জ্ঞানী হ'বলৈ বিচাৰিছিল। ইয়াৰ ভিতৰত কোনো এটাক বেয়া বুলিব পাৰিনে? ইয়াৰ মাজত এটাকো চয়তানৰপৰা অহা যেন লাগিছেনে? এইবোৰক কোনোবাই পাবলৈ নিবিচাৰিবনে? এই সকলো দেখিবলৈ অন্যমনস্ক যেন লাগিছেনে?

ধুনীয়া, সোৱাদজনক, আনন্দজনক, সন্তোষজনক হোৱাত আৰু জ্ঞান বিচৰাটোত কিবা ভুল আছেনে...? তেন্তে ই কেনেধৰণৰ অন্যমনস্ক হ'ব পাৰে?

কিন্তু আমি দেখো যে এটা অন্যমনস্ক এইয়ে সকলো মানৱজাতিলৈ পতন আনে। মনত ৰাখিব, পতন সদায় বহুত আকৰ্ষিত, আকৃতিযুক্ত ৰঙীন আৰু চকুত দেখাত ধুনীয়া হৈ আহে। প্ৰকৃততে ভালেই দেখিব। যি নহওঁক, যিকোনো বাস্তৱতে আপোনাক ঈশ্বৰৰ পৰা আঁতৰাই নিয়ে তেতিয়া তাক আপুনি লক্ষ্য কৰিব লাগিব।

আপুনি জানেনে যেতিয়া আপুনি ক'ব এইটোৱেই মোৰ শক্তিশালী গুণ, তেতিয়া আপুনি সাৱধানেৰে লক্ষ্য কৰিব, কিয়নো তাতেই চয়তানে আপোনাক জোৰকৈ প্ৰহাৰ কৰিব। পিতৰে কৈছিল মই আপোনাৰ বাবে প্ৰাণকো দিব পাৰোঁ। তেওঁ ভাবিছিল যে সেইটোৱেই তেওঁৰ শক্তিশালী গুণ আৰু তেওঁ ভাবিছিল যে যীচুৰ বাবে থকা তেওঁৰ প্ৰেম ইমান যে শক্তিশালী হৈ আছে তাক যিকোনো বস্তুৱেও আঁতৰাব নোৱাৰিব। কিন্তু যীচুৱে তেওঁক লগে লগে ক'লে যে পুৱতি নিশাৰ আগে আগে তুমি তিনিবাৰ অস্বীকাৰ কৰিবা।

প্ৰিয় বন্ধুসকল, মই আপোনালোকক ক'ব বিচাৰো যে য'ত আপুনি প্ৰকৃততে শক্তিশালী হৈ আছে তালৈ চকু দিয়ক। আপুনি আপোনাৰ জীৱনৰ প্ৰতিটো দিশত আপোনাৰ সন্তান, আপোনাৰ পৰিয়াল, আপোনাৰ কৰ্ম, আপোনাৰ পৰিচৰ্য্যা, আপোনাৰ আহ্বান আৰু আপোনাৰ অভিষেকৰ ওপৰত প্ৰাৰ্থনা কৰক। আমাৰ জীৱনৰ পথত যিকোনো পদক্ষেপ লওঁতে আমাক ঈশ্বৰৰ শক্তিৰ প্ৰয়োজন আছে। নহ'লে আমি অন্যমনস্ক হ'ম আৰু ঈশ্বৰে আমাৰ জীৱনত দিয়া বস্তুক হেৰুৱাই দিম।

কিয়নো চয়তানে আমাৰ চাৰিওফালে প্ৰত্যেক সময়ত গুজৰি থকা সিংহৰ দৰে আৰ্হি থাকে। ১ পিতৰ ৫ঃ৮ পদে কয় ঃ শান্ত হোৱা, সচেতন হোৱা আৰু সতৰ্ক হোৱা। বাইবেলৰ কিছুমান অনুবাদত এইদৰে বুজায়। বিবেচনাপূৰ্ণ হওঁক, আত্ম শৃংখলাবদ্ধ হোৱা, সতৰ্ক হোৱা। সকলো সময়ত সাৱধান হোৱা। কিয়নো চয়তানে আহে, বিচাৰে আৰু চাৰিওফালে গুজৰি থকা সিংহৰ দৰে ঘূৰে .............. ভোকাতুৰৰ দৰে গ্ৰাস কৰিব বিচাৰে।

মই লাহেকৈ আপোনাৰ কান্ধত হাতেৰে মাৰি কওঁ, জাগা! তুমি জাগিবলৈ আহ্বান আহিছে। সতৰ্ক হোৱা! সচেতন হোৱা, সাৱধান হোৱা আৰু আত্ম শৃংখলাবদ্ধ হোৱা। পৰৱৰ্তী দিন বা সপ্তাহবিলাকত সকলো বাদ দি কেৱল ঈশ্বৰলৈ মনোযোগ দিয়া।

কিন্তু আমি দেখো যে এইটোৱেই বিভ্ৰান্ত কৰে - এইটোৱে সমস্ত মানৱ জাতিক পতন কৰে। মনত ৰাখিব, বিভ্ৰান্তকৰ সদায় আকৰ্ষণীয় আকৃতি, ৰঙীন আৰু চকু ধুনীয়া হয়। এইটো প্ৰকৃততে ভাল হ'ব পাৰে? যি কি নহওক, যদি যি কোনো বস্তুৱে ঈশ্বৰৰ পৰা আঁতৰাই লৈ যায়, তেন্তে আপুনি সাৱধান হ'ব লাগিব।

যদি আপুনি ক'ব এইটো মোৰ শক্তিশালী দিশ, তেতিয়া সাৱধান, কিয়নো সেই দিশটোতে চয়তানে ডাঙৰকৈ আঘাত কৰিব। আনকি পিতৰেও কৈছিল, মই তোমাৰ সৈতে মৰিবও পাৰো। পিতৰে ভাবিছিল যে সেইটো তেওঁৰ শক্তিশালী দিশ তেওঁ ভাবিছিল যে যীচুলৈ তেওঁৰ প্ৰেম বহুত শক্তিশালী যে যিকোনোৱেও তেওঁক সেই দিশৰ পৰা আঁতৰাব নোৱাৰে। কিন্তু যীচুৱে তেওঁক ক'লে ৰাতিপুৱা আগতে তুমি তিনিবাৰ বিশ্বাসঘাত কৰিবা।

প্ৰিয় বন্ধুসকল, আপোনালোক কোনকেইটা দিশত প্ৰকৃততে শক্তিশালী হ'ব লাগিব তাক ক'ব বিচাৰো। আপোনাৰ জীৱনৰ বাবে, আপোনাৰ জীৱনৰ প্ৰতিটো দিশত, আপোনাৰ সন্তানসকলৰ বাবে, আপোনাৰ পৰিয়াল, আপোনাৰ আহ্বান আৰু আপোনাৰ অভিষেকৰ বাবে প্ৰাৰ্থনা কৰক... আমাৰ পথৰ প্ৰতিটো খোজত আমাক ঈশ্বৰৰ শক্তি লাগে। নহ'লে আমি বিভ্ৰান্ত হ'ম আৰু ঈশ্বৰে যি যি আমাক দিছে সেই সকলোকে আমি হেৰুৱাই দিম।

কিয়নো চয়তানে গুজৰি থকা সিংহৰ দৰে সকলো সময়ত আমাৰ চাৰিওফালে আছে আৰু কাক, কেতিয়া, কিদৰে গ্ৰাস কৰিব তাৰে সুযোগ বিচাৰে ১ পিতৰ ৫ঃ৮ পদত কয়ঃ স্থিৰ হওক, সচেতন হওক, পৰ দি থাকক।

পৰিবৰ্ধিত সংস্কৰণ বাইবেলে কয় যেঃ জ্ঞানী হোৱা আৰু স্ব-শৃঙ্খলাবদ্ধ হোৱা, সচেতন হোৱা। সকলো সময়ত পৰ দি থাকা কিয়নো চয়তান আছে, বিচাৰে, চাৰিওফালে ঘূৰি ফুৰে-গুজৰি থকা সিংহৰ দৰে... প্ৰচণ্ড ভোকাতুৰৰ দৰে গ্ৰাস কৰিব বিচাৰে।

মই লাহেকৈ আপোনাৰ কান্ধত ধৰি ক'ব বিচাৰো যে, উঠা ভাই! এইটো আপোনাৰ উঠাৰ আহ্বান! সচেতন হওক, সাৱধান হওক, পৰ দিয়ক আৰু স্ব-শৃঙ্খলা হওক? সকলো বাজে বস্তুবোৰক বন্ধ কৰক আৰু কেৱল ঈশ্বৰলৈ লক্ষ্য কৰক, পৰৱৰ্ত্তী সপ্তাহ বা দিনৰ বাবে। ব্যক্তিগতভাৱে কথা ক'বলৈ ঈশ্বৰক কওক আৰু আপুনি কি কৰাটো তেওঁ বিচাৰে কওক। আপুনি ইয়াৰ স্পষ্ট ধাৰণা নোপোৱা পৰ্যন্ত উপবাস আৰু প্ৰাৰ্থনা কৰক। কিয়নো চয়তানে আপোনাক অমনোযোগী কৰিবলৈ ৰৈ আছে। হ'ব পাৰে তেওঁ ইতিমধ্যে আপোনাক বিভ্ৰান্ত কৰিবলৈ পৰিকল্পনা কৰিছে.. মোৰ প্ৰিয় ভাই আৰু ভনীসকল, আমি এতিয়াই তেওঁক লক্ষ্য কৰি ল'ব লাগিব।

আমাৰ আন্তৰিক প্ৰাৰ্থনা সদায় থাকিব যে আমি সকলোৱে, বিশেষকৈ এই অন্তিম কালত, আমাৰ জীৱনত ঈশ্বৰৰ উদ্দেশ্য আৰু পৰিকল্পনাৰ পৰা যাতে পিছলি নাযাওঁ। মনত ৰাখিব যদি আমি ঈশ্বৰৰ ইচ্ছা পূৰ্ণ নকৰো, তেন্তে আমি চয়তানৰ ইচ্ছাক পূৰ্ণ কৰি আছো।

মই আপোনালোকক দেখুৱাই দিব বিচাৰো যে এই বিভ্ৰান্তটো আমাৰ জীৱনত কিমান শক্তিশালী হ'ব পাৰে, বিশেষকৈ যিবিলাকে ঈশ্বৰৰ প্ৰেম থকা বুলি দাবী কৰে। বাইবেলে কয় যে ঈশ্বৰে ইস্ৰায়েলবিলাকক আশীৰ্বাদ কৰিব বিচাৰে তেওঁবিলাকক কোনেও অভিশাপ দিব নোৱাৰে। আন্ধাৰৰ কোনো শক্তিয়ে, যাদুবিদ্যা বা ঈশ্বৰৰ সন্তানবিলাকৰ বিৰুদ্ধে, আপোনাক আৰু মোকো অন্তৰ্ভুক্ত কৰি এনে কোনো শক্তিয়ে মন্দ কাৰ্য কৰিব নোৱাৰে। কিন্তু এজনে আমাৰ জীৱনত বিশৃঙ্খলা, খেলিমেলি আৰু ধ্বংস আনিব পাৰে আৰু সেইজন হৈছে আমি।

*....Contd. to page 9*


## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

# প্ৰভূৱে আমাৰ ইচ্ছা পূৰণ কৰে !
## THE LORD WHO GRANTS OUR DESIRES!



**কিয়নো ঈশ্বৰেই নিজৰ হিত** সংকল্পৰ কাৰণে **তোমালোকৰ অন্তৰত ইচ্ছা** কৰা আৰু কাৰ্য **সাধন কৰা, এই উভয়ৰ** সাধন কৰ্তা হৈছে। **ফিলিপীয়া ২ঃ১৩।**

যেতিয়া মই ১৮ বছৰ বয়সৰ হৈছিলো, গীৰ্জাত মই মোৰ দেউতা, ভায়েক আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলে নিয়মিতভাৱে গীত গোৱা আৰু ঈশ্বৰৰ উপাসনা কৰা দেখিছিলো আৰু মই কোনো নহ'লে কোনো ভাৱে তেওঁলোকক সহায় কৰিছিলো। মই হাৰমনিয়ামৰ দৰে বাদ্যযন্ত্ৰ বজাবলৈও শিকিলো।

**শুভ বাৰ্তা প্ৰাৰ্থনা দল** নামৰ দলৰ যোগেদি যিটোক আৰম্ভ কৰা আৰু পৰিচালনা কৰা মোৰ দ্বাৰাই হৈছিল, বাদ্যযন্ত্ৰ বজাবলৈ আমি এটা গায়কৰ দল আৰু বজোৱা দলৰ সংস্থাপন কৰিছিলো। অনেক গাঁওবিলাকত যীচুখ্ৰীষ্টৰ শুভ বাৰ্তা বিলোৱাত ঈশ্বৰে মোক সহায় কৰিছিল। এটি দল হিচাবে আমি ঈশ্বৰৰ বাৰ্তা, সাক্ষ্য আৰু গীত-গান গাবলৈ ভাগ কৰি লৈছিলো। এই দলটিৰ গুৰুত্বপূৰ্ণ লোকসকলৰ নাম তলত দিছো, ভাই, ওৱেচনি দেৱাদাচন (এতিয়া হেৰল্ড অফ হীজ কামিঙত আছে), ৰেভা, এ,ছেলভা ৰাজ (এতিয়া চি,এচ,আই, মিশ্বনেৰী, পালক), ৰেভা, যোহন ৰজ কামালাম (এতিয়া চি, এচ, আই, মাদুৰাইত জে. পালক), ভায়লিন বজোৱাত, ভাই, দেভিদ ৰেজিনাল্ড (শিক্ষক), ৰেভাঃ পৌলচ (চি,এচ,আই,পালক) শ্ৰী জেয়চন্দ্ৰন (এ,অ,জি, পালক) আৰু শ্ৰী জেয়ানান্দা পাউলমানি (শিক্ষক)।

মই মোৰ কান্ধত মোৰ ডাঙৰ আৰু গধুৰ হাৰমনিয়ামটোক কঢ়িয়াই গাঁওবিলাকলৈ, বজাৱলৈ আৰু পথৰ কিনাৰে কিনাৰে গৈছিলো। এনে ঠাইবিলাকত, মই গীত গাইছিলো, সাক্ষ্য দিছিলো আৰু ঈশ্বৰৰ বাক্য কৈছিলো। মই হাজাৰ হাজাৰ শুভ বাৰ্তাৰ বিলাইছিলো। মই এই সকলোবিলাক সম্পূৰ্ণ হৃদয়ৰে আৰু আনন্দৰে কৰিছিলো। মই মোৰ হাৰমনিয়াম কঢ়িয়াই বহুত মাইললৈকে খোজকাঢ়ি গৈছিলো আৰু আমাৰ প্ৰভূ যীচুখ্ৰীষ্টৰ শুভ বাৰ্তা সকলো ধৰ্মৰ মানুহলৈ বিলাইছিলো।

আজি যেতিয়া, ডেকাকালত বিভিন্ন ঠাইলৈ গৈ খ্ৰীষ্টিয়ান গীত গাইছিলো, মোৰ হাৰমনিয়াম বজাইছিলো, মই দেখি আচৰিত হৈছিলো। য'ত য'ত মই প্ৰচাৰ কৰিছিলো আৰু য'ত য'ত মই শুভ বাৰ্তা পত্ৰিকা বিলাইছিলো, এতিয়া মই তাত অনেক মণ্ডলীবিলাক আৰু খ্ৰীষ্টিয়ান লোকসকলৰ বৃদ্ধি হোৱা মই দেখি পাইছো। মই মোৰ অতীতৰ দিনবিলাকক মনত পেলালো যেতিয়া লোকবিলাকে মোক হাঁহিছিল কিয়নো মোৰ শিক্ষা বা মৰ্যদা সমাজত নাছিল।

দিনবোৰ অতিবাহিত হ'ল। ঈশ্বৰে মোক ক্ৰমে আগবঢ়ালে। তেওঁ মোক স্বৰ্গীয় জ্ঞানেৰে, মানুহৰ সহায়ৰ সৈতে আৰু আৰ্থিক মৰ্যদাৰ সৈতে আশীৰ্বাদ কৰিলে। ঈশ্বৰে মোক এটা একৰডিয়ানো দিলে, তেতিয়াৰ দিনত এইটো বহুত মূল্যবান বাদ্যযন্ত্ৰ আছিল। তেতিয়া এই বাদ্যযন্ত্ৰ কিনিবলৈ মোৰ হাতত ধন নাছিল, শ্ৰী এম, পাদমানাবান নামৰ মোৰ বন্ধু এজনে, তেওঁ ভান্দাভাচিৰ আছিল, তেওঁৰ ভাৰ্যাৰ বিবাহৰ ছেইন (থালি) বন্ধকীত দিলে আৰু তেওঁ এই বাদ্যযন্ত্ৰ কিনিবলৈ মোক টকা দিলে। মোৰ নিজৰ ভাই, শ্ৰী এচ, বিজিলি চামৰাজেও এই বিষয়ত মোক সহায় কৰিলে।

এইদৰে, মোৰ প্ৰভূৱে টি,ভি, ৰ মাধ্যমেৰে প্ৰভুৰ বাক্য ক'বলৈ সমৰ্থ কৰিলে আৰু এতিয়া ইউটিউব চেনেলত দিছে। মোৰ বাৰ্তাসমূহ তামিল, ইংৰাজী, হিন্দী আৰু তেলুগু ভাষাত প্ৰচাৰিত হয়। মোক সহায় কৰিবলৈ ঈশ্বৰে মোক অনেক গায়ক আৰু বাদ্যযন্ত্ৰ দিছে। ঈশ্বৰে মোক গ্ৰহণ কৰিবলৈ মোক কেন্দ্ৰ মণ্ডলী দিছে আৰু তুলিছে। প্ৰভু যীচুখ্ৰীষ্টই মোক অনেক শাখা মণ্ডলী দিছে আৰু মোৰ পৰিচৰ্যাত অনেক সহায়কাৰীক দিছে।

প্ৰিয় পঢ়ুৱৈসকল, মই নিশ্চিত যে আপোনালোকেও ঈশ্বৰৰ বাবে কিবা হ'লেও কৰিব বিচাৰিছে। সোনকালে কৰিবলৈ আৰম্ভ কৰক। আপোনালোকৰ বাবে মানুহৰ সমৰ্থন বা আৰ্থিক সহায় নাথাকিব পাৰে। যদি আপোনালোকৰ মন আছে, আপোনালোকে উপায়ো বিচাৰি পাব। পলম নকৰিব। আজিয়েই আৰম্ভ কৰক। এতিয়াই কৰক।।

কিয়নো ঈশ্বৰেই নিজৰ হিত মংগলৰ কাৰণে তোমালোকৰ অন্তৰত ইচ্ছা কৰা আৰু কাৰ্য সাধন কৰা, এই উভয়ৰ সাধন কৰ্তা হৈছে (ফিলিপীয়া ২ ঃ ১৩)

❖❖❖❖❖

....Contd. from page 7

আহক আমি এই বিষয়টিক ঈশ্বৰৰ বাক্যৰ পৰা চাওঁহক। যেতিয়া মোৱাবৰ ৰজাই ইস্ৰায়েলবিলাকক অভিশাপ দিব বিচাৰিছিল, তেওঁ বিলিয়মক অভিশাপ দিবলৈ নিমন্ত্ৰণ কৰিছিল। বিলিয়মে ঈস্ৰায়েলবিলাকক যিমানবাৰ অভিশাপ দিবলৈ চেষ্টা কৰিছিল। সিমানবাৰেই ঈশ্বৰৰ লোকবিলাকলৈ আশীৰ্বাদলৈ পৰিণত হৈছিল। গতিকে মোৱাবৰ ৰজা বালাকৰ বেয়াকৈ খং উঠিছিল আৰু অতিকৈ নিৰাশ হৈছিল। অৱশেষত বিলিয়মে এটা পৰামৰ্শ দিয়ে। তেওঁ ক'লে, তেওঁলোক ঈশ্বৰৰ মানুহ। তেওঁ সিহঁতক আশীৰ্বাদ কৰিব বিচাৰে। গতিকে তেওঁলোকক অভিশাপ দিয়াটো বা ধ্বংস কৰাটো অসম্ভৱ। কিন্তু এটা উপায় আছে যাৰ দ্বাৰাই আপুনি তেওঁলোকক পতন কৰিব পাৰিব। তেতিয়া ইশ্বৰৰ ক্ৰোধ তেওঁলোকৰ ওপৰত আহিব আৰু তেওঁ নিজে তেওঁলোকক ধ্বংস কৰিব।

চোৱা, বিলিয়মৰ পৰামৰ্শত তেওঁলোকে পিয়োৰ দেৱতাৰ কথাত ইস্ৰায়েলৰ সন্তানসকলক যিহোৱাৰ বিৰুদ্ধে সত্য লংঘন কৰাইছিল; সেই কাৰণেই যিহোৱাৰ মণ্ডলীত মহামাৰী হৈ আছিল। (গণনা পুস্তক ৩১ঃ১৬)

বিলিয়মে পৰামৰ্শ দিছিল যে মিদিয়নীয়া তিৰোতাবিলাকক ইস্ৰায়েলবিলাকৰ ওচৰলৈ পঠাব লাগে। তেতিয়া সিহঁতে ইস্ৰায়েলবিলাকক যৌন কৰ্মৰ ইচ্ছাক আগবঢ়ালে। কিন্তু সিহঁতে এটা চৰ্ত ৰাখিলে যে তেওঁবিলাকে সিহঁতৰ লগত সিহঁতৰ দেৱতাবোৰক প্ৰণিপাত কৰিব লাগিব। সিহঁতৰ দেৱতাৰ নাম বাল পিয়োৰ বা "আৰম্ভৰ দেৱতা", ইস্ৰায়েলবিলাকে সিহঁতৰ সৈতে সন্মত হয়।

ইয়াত কোনো সন্দেহ নাই যে বিলিয়মে ইস্ৰায়েল পুৰুষবিলাকৰ দুৰ্বল দিশটোক জানিছিল, কেৱল ইমানেই নহয়, তেওঁ ইয়াকো জানিছিল যে ঈশ্বৰে তেওঁৰ বাহিৰে আন দেৱতাবোৰক কোনোবা সেৱা কৰিলে তেওঁৰ কি অনুভৱ হয়। তেওঁ এজন ঈৰ্ষান্বিত ঈশ্বৰ, গ্ৰাস কৰোঁতা অগ্নিস্বৰূপ। কোনোবাই তেওঁৰ বাহিৰে আন কোনো দেৱতাক আৰাধনা কৰাটোক তেওঁ সহ্য নকৰে বা আনকি তেওঁৰ ঠাইত আনক স্থান দিয়াটোক তেওঁ সহ্য নকৰে। সেই গতিকে বিলিয়মৰ পৰামৰ্শটো ধ্বংস মাতি অনাৰ বাহিৰে একো নাছিল, সেই কাৰ্যই সিহঁতক কেৱল ঈশ্বৰৰ ইচ্ছাৰ পৰা আঁতৰাই নিব এনে নহয় বৰং সিহঁতৰ ওপৰত ঈশ্বৰৰ ক্ৰোধো জ্বলি উঠিব।

মোৰ বন্ধুসকল, মই নাজানো কি পৰিস্থিতিৰ মাজেদি আপোনালোক গৈ আছে, বা আপোনালোক নিজৰ জীৱনৰ কোনটো স্থানত আছে। আপোনাৰ জীৱনত বিভ্ৰান্তকৰ আহিব পাৰে, সাৱধান। এইবোৰ সদায় আপোনাৰ চকুত আনন্দদায়ক হ'ব, ধুনীয়া হ'ব। এইটোৱে আপোনাৰ হৃদয়ত আনন্দ দিব। কিন্তু ঈশ্বৰে যি কাৰ্য আপোনাৰ জীৱনত কৰিবলৈ ইচ্ছা কৰিছে তাত যদি এইবোৰে আপোনাক বিফল কৰিছে, তেন্তে আপুনি আঁতৰি আহক! আপোনাক শক্তি দিবলৈ ঈশ্বৰক কওঁক।

বিশেষকৈ যুৱক-যুৱতীসকল, বিবাহৰ ক্ষেত্ৰত সাৱধান হওক। বিবাহ মানে আত্মা জয় কৰা নহয়। অসমান হালত বন্ধা নহ'বা। আপোনাৰ বিশ্বাস আৰু দৰ্শন আপোনাৰ ভাৰ্যাৰ লগত মিলিব লাগিব। যদি তেনে নহয় তেন্তে গোটেই জীৱনত সংগ্ৰাম কৰিব লাগিব।

*মই প্ৰাৰ্থনা কৰো ঈশ্বৰে আমাৰ সকলোকে এই আলোচনীখন পঢ়াত সহায় কৰিব*

## অনুগ্ৰহ কৰি আমাৰ বাবে প্ৰাৰ্থনা কৰক

প্ৰতিমাহে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ সিংহালা মাহেকীয়া আলোচনী ডাকযোগে শ্ৰীলংকালৈ পঠোৱাত আমাৰ বহুত খৰছ হয় (প্ৰতিটো কপিৰ বাবে - ৩১ টকা লাগে)। আমি প্ৰাৰ্থনা কৰি আছো যাতে শ্ৰীলংকাৰ পৰাই স্থানীয়ভাৱে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনী সিংহালা আলোচনী বিলোৱাত ঈশ্বৰে এটা উপায় উলিয়াই দিব। অনুগ্ৰহ কৰি ইয়াৰ বাবে প্ৰাৰ্থনা কৰক। - সম্পাদক

## থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

প্ৰিয় পঢ়োঁতাসকল,

অনুগ্ৰহ কৰি তলত দিয়া প্ৰশ্নসমূহৰ কাষত থকা হয় নে নহয় এটা উত্তৰত ভৰ্তি কৰি আমালৈ পঠাওক। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ** পৰা আপুনি এটা উপহাৰ পাব।

১। আজি আপুনি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ পৰিচৰ্যাবিলাকৰ বাবে প্ৰাৰ্থনা কৰিছিল নে?
হয় ☐ নহয় ☐

২। আপুনি একেৰাহে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ আলোচনী নিয়মীয়াকৈ পাব বিচাৰে নে?
হয় ☐ নহয় ☐

৩। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনীৰ বাবে কেইগৰাকীমান পঢ়ুৱৈক সংগ্ৰহ কৰিব বিচাৰে নে?
(টকা সংগ্ৰহ নকৰিব) হয় ☐ নহয় ☐

৪। কোনটো বিষয় আপুনি ভাল পায়?
মূলবাৰ্তা ☐ বা সম্পাদকীয় ☐ বা গৰাহৰ পৰা ৰাজগৃহলৈ ☐

৫। আপুনি আমাৰ হোৱাট্চএপ নম্বৰ চেভ কৰি ৰাখিছেনে? হয় ☐ নহয় ☐

৬। ইখ অফ হীজ কল ইউটিউব চেনেলত আপুনি চাব্চক্ৰাইব কৰিছে নে?
হয় ☐ নহয় ☐

৭। আমাৰ ইউটিউব চেনেলত আপুনি আমাৰ চুটি বাৰ্তাক চাইনে? হয় ☐ নহয় ☐

৮। আমাৰ ইউটিউব চেনেলত ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু ভাষাত দিয়া বাৰ্তা আপুনি চাইনে? হয় ☐ নহয় ☐

অনুগ্ৰহ কৰি এই অংশটিক কাটি উত্তৰসমূহত টিক চিন দি আমালৈ পঠাই দিয়ক। আপুনি এটা উপহাৰ আমাৰ পৰা পাব।

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

*যাতে আমি আমাৰ দুৰ্বল দিশবোৰক চিনাক্ত কৰিব পাৰিম আৰু আঁতৰি আহিব পাৰিম আৰু যাতে আমাৰ জীৱনত আমি নতুন ঋতুক আঁকোৱালি ল'ব পাৰিম।*

*ত্যাগ কৰিবলৈ বাদ দিয়ক আৰু আগবাঢ়ি আহক! আমি বিচৰাতকৈ বা কল্পনা কৰাতকৈয়ো অধিক ঈশ্বৰে কৰিব পাৰে। আপোনাৰ নতুন ঋতুক আঁকোৱালি লওক। ঈশ্বৰে সকলোকে আশীৰ্বাদ কৰক!*

❖❖❖❖❖

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JUNE 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**